নৱভাৰত সাক্ষৰতা কাৰ্যসূচী

উদয়

আদিপাঠ, প্ৰথম ভাগ





অ আ 1 2

+ -



ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম



এতিয়া পাৰো পঢ়া লিখা
হিচাপত নকৰো ভুল
কম্পিউটাৰটো যদি শিকিব পাৰো
নহয় আৰু গণ্ডগোল

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গবেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ দ্বাৰা প্ৰচাৰিত

নৱভাৰত সাক্ষৰতা কাৰ্যক্ৰম



পঢ়িম মই
আগবাঢ়ি যাম মই
আত্মনিৰ্ভৰ ভাৰতৰ
সপোন
দিঠক কৰিম মই

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গবেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ দ্বাৰা প্ৰচাৰিত

নৱভাৰত সাক্ষৰতা কাৰ্যক্ৰম

উদয়

প্ৰথম ভাগ

(সকলোৰে বাবে শিক্ষা)

আদিপাঠ



ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ
অসমীয়া সংস্কৰণঃ ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

UDAY-ADIPATH: A primer for Nava Bharat Saksharata Karyakram (New India Literacy Programme), originally developed as UJAS by Cell for National Centre for Literacy, NCERT, adopted and adapted as UDAY by State Centre for Literacy (SCL) at State Council of Educational Research and Training(SCERT) and published by State Literacy Mission Authority SLMA),Assam

Free Textbook

ALL RIGHTS RESERVED: No production in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews) may be made without written authorization from the SCERT, Assam

©: State Centre for Literacy (SCL),State Council of Educational Research and Training,Assam, Guwahati-781019

First Publication: 2023

Original primer UJAS developed by : Cell for National Centre for Literacy, NCERT, New Delhi

Assamese version adopted and adapted by: State Centre for Literacy (SCL),State Council of Educational Research and Training, Assam, Guwahati-781019

Published by: State Literacy Mission Authority (SLMA)

Available in : DIKSHA Platform and made for free distribution

পাতনি

সকলোৰে বাবে শিক্ষা-জন জন সাক্ষৰৰ উদ্দেশ্য হৈছে 15 বছৰ বা তাতকৈ অধিক বয়সৰ সকলো লোকৰ বাবে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাৰ জ্ঞান আহৰণৰ সুযোগ প্রদান কৰা। যিসকল লোকে যিকোনো কাৰণবশতঃ পঢ়া-শুনা আগবঢ়াই নিবলৈ অসমর্থ হৈছিল, সেইসকলক এই কার্যসূচীৰ অন্তর্ভুক্ত কৰা হৈছে ।

এই সন্দর্ভত ৰাষ্ট্রীয় শিক্ষা নীতি 2020ৰ পৰামর্শসমূহ কার্যকৰী কৰাৰ বাবে ভাৰত চৰকাৰে 2022 চনৰ 1 এপ্রিলৰ পৰা নৱ ভাৰত সাক্ষৰতা কার্যসূচী আৰম্ভ কৰিছে, য'ত প্রাপ্তবয়স্ক শিক্ষাৰ সকলো দিশ সামৰি লোৱা হৈছে।

এই কার্যসূচীৰ উদ্দেশ্য কেৱল বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাৰ জ্ঞান প্রদান কৰাই নহয়, একবিংশ শতিকাৰ এজন নাগৰিকৰ বাবে প্রয়োজনীয় অন্যান্য সমলসমূহ, যেনে মহত্বপূর্ণ জীৱন দক্ষতা (বিত্তীয় সাক্ষৰতা, ডিজিটেল সাক্ষৰতা, বাণিজ্যিক দক্ষতা, স্বাস্থ্য সেৱা আৰু সজাগতা, শিশু যত্ন আৰু শিক্ষা আৰু পৰিয়াল কল্যাণ), বৃত্তিগত দক্ষতা বিকাশ (স্থানীয় নিয়োগ প্রাপ্ত কৰাৰ লক্ষ্যৰে), বুনিয়াদী শিক্ষা (প্রাৰম্ভিক, মধ্য আৰু মাধ্যমিক স্তৰ) আৰু অবিৰত শিক্ষাৰ (কলা, বিজ্ঞান, প্রযুক্তি, সংস্কৃতি, ক্রীড়া ইত্যাদি) ক্ষেত্রটো গুৰুত্ব আৰোপ কৰিছে। সেয়েহে, এই কার্যসূচীয়ে সামগ্রিকভাৱে মানৱ ব্যক্তিত্বৰ বিকাশৰ ওপৰত দৃষ্টি ৰাখিব আৰু এক ন্যায়সঙ্গত, যুক্তিবাদী আৰু উৎকৃষ্ট নাগৰিক সৃষ্টি কৰিব।

নৱ ভাৰত সাক্ষৰতা কার্যসূচীৰ দস্তাবেজত উল্লেখ কৰা হৈছে যে 2011 চনৰ লোকপিয়ল অনুসৰি, দেশত 15 বছৰ বা তাতকৈ অধিক বয়সৰ মুঠ নিৰক্ষৰ আৰু অর্ধসাক্ষৰ লোকৰ সংখ্যা হৈছে 25.76 কোটি (পুৰুষ 9.08 কোটি, মহিলা 16.68 কোটি)। 2009-10 বর্ষৰ পৰা 2017-18 বর্ষলৈ সাক্ষৰ ভাৰত কার্যসূচীৰ অধীনত সাক্ষৰ হিচাপে প্রমাণিত 7.64 কোটি ব্যক্তিৰ তথ্য বিবেচনা কৰি অনুমান কৰা হৈছে যে বর্তমান ভাৰতত প্রায় 18.12 কোটি প্রাপ্তবয়স্ক এতিয়াও অশিক্ষিত। ৰাষ্ট্রীয় শিক্ষা নীতি 2020-য়ে 2030 চনৰ ভিতৰত এশ শতাংশ সাক্ষৰতা প্রাপ্ত কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছে আৰু এনচিইআৰটিত ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র স্থাপনৰ পৰামর্শ প্রদান কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈ ৰাষ্ট্রীয় আৰু ৰাজ্যিক পর্যায়ত অবিৰত প্রচেষ্টা চলি আছে।

উল্লেখ্য যে সকলোৰে বাবে শিক্ষাই সামৰি লোৱা শিক্ষার্থীসকল কেৱল সাক্ষৰ হোৱাটোতে উদ্দেশ্য সীমাবদ্ধ হোৱা নাই। এই কার্যসূচীৰ লগত জড়িত হৈ তেওঁলোক শিক্ষিত হ'ব আৰু লগতে জীৱনৰ প্রত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পাৰিব, লগতে উপযুক্ত সিদ্ধান্ত গ্রহণ কৰিব পাৰিব। এই শিক্ষার্থীসকলে তেওঁলোকৰ জীৱনৰ বিভিন্ন প্রেক্ষাপটত তেওঁলোকৰ নিজৰ ভাষা বা ভাষাসমূহৰ মৌখিক ব্যৱহাৰ কৰে আৰু লগতে কিছু গাণিতিক বোধ অভিজ্ঞতাৰ মাধ্যমেৰে শিকি তেওঁলোকৰ নিজ নিজ কাম সম্পাদন কৰে। তেওঁলোকে আনুষ্ঠানিকভাবে পঢ়িবলৈ, লিখিবলৈ আৰু সংখ্যাজ্ঞান শিকাটো এক গুণগত আৰু মর্যাদাপূর্ণ জীৱনৰ পথ প্রশস্ত কৰিবৰ বাবে অতি দৰকাৰী। সেয়ে পূর্ণ সাক্ষৰতা আমাক লাগিবই।

সাক্ষৰতা হৈছে এক বহল ধাৰণা যি আখৰ বা সংখ্যাৰ জ্ঞানত সীমাবদ্ধ নহয়, বৰঞ্চ বিভিন্ন প্রসংগত দৃশ্য, শ্রৱণ আৰু ডিজিটেল বিষয়বস্তু ব্যৱহাৰ কৰি চিনাক্তকৰণ, বোধ,গণনা আৰু যোগাযোগ কৰাৰ সক্ষমতা প্রদান কৰে- (আন্তঃৰাষ্ট্রীয় সাক্ষৰতা সংস্থাৰ পৰা উদ্ধৃত)।

এইদৰে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞান কাৰ্য্যকৰী হয় আৰু জীৱনটোক উন্নত ধৰণেৰে ধাৰণ কৰাত সহায় কৰে।

প্ৰতিজন নাগৰিকৰ বুনিয়াদী সাক্ষৰতা আহৰণ, শিক্ষা লাভ আৰু জীৱিকা উপাৰ্জনৰ সুযোগ পোৱাটো অধিকাৰ। সাক্ষৰতা আৰু বুনিয়াদী শিক্ষাই এজন ব্যক্তিৰ ব্যক্তিগত, সামাজিক, অৰ্থনৈতিক আৰু জীৱনজোৰা শিক্ষাৰ বাবে সুযোগৰ এক নতুন পৃথিৱী মুকলি কৰে। এই উদ্ভাৱনী জগতখনে ব্যক্তিক ব্যক্তিগত আৰু পেছাদাৰী দুয়োটা স্তৰত আগবাঢ়ি যোৱাত সহায় কৰে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020ৰ এই দৃষ্টিভংগীক মনত ৰাখি শিক্ষা মন্ত্ৰালয়ৰ নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী (New India Literacy Programme)ৰ অধীনত শিকাৰুসকলৰ বাবে মূল হিন্দী 'উজাস' আদিপাঠ প্ৰণয়ন কৰাৰ সমান্তৰালভাবে বিভিন্ন আঞ্চলিক ভাষাত এই আদিপাঠ প্ৰকাশ কৰা হৈছে। অসমীয়া সংস্কৰণৰ নাম দিয়া হৈছে 'উদয়' আদিপাঠ। 'উজাস'ৰ দৰেই চাৰিটা ভাগত এই 'উদয়'খন প্ৰস্তুত কৰা হৈছে। এই আদিপাঠসমূহ সংহতভাৱে ডিজাইন কৰা হৈছে, য'ত ভাষা আৰু সংখ্যাজ্ঞান দুয়োটাকে অন্তৰ্ভুক্ত কৰা হৈছে। বিষয়বস্তু হিচাপে 1 টা বিষয় (থীম) নিৰ্ধাৰণ কৰা হৈছে যিবোৰ সাধাৰণতে আমাৰ চাৰিওফালে দেখা যায়। এই বিষয়বোৰ হৈছে — পৰিয়াল আৰু ওচৰ-চুবুৰীয়া, কথাবতৰা, খাদ্য আৰু স্বাস্থ্য, ভোটদান, আইনী তথ্য, দুৰ্যোগ ব্যৱস্থাপনা, সময়, ভ্ৰমণ, মনোৰঞ্জন, বিত্তীয় সাক্ষৰতা, ডিজিটেল সাক্ষৰতা, আইনী সাক্ষৰতা, পৰিৱেশ সজাগতা ইত্যাদি। ভাষাৰ অধীনত এই বিষয় আৰু দৈনন্দিন হিচাপ-নিকাচৰ সৈতে জড়িত অৰ্থপূৰ্ণ, ব্যাপক আৰু আকৰ্ষণীয় সমলসমূহ গ্ৰহণ কৰি অসমীয়া ভাষা আৰু সংখ্যাজ্ঞান আহৰণৰ সুযোগ সৃষ্টি কৰা হৈছে। শিক্ষাৰ্থীসকলক পঢ়া-শুনা আৰু সংখ্যা শিকিবলৈ সহায় কৰিবলৈ এখন গাইডো প্ৰস্তুত কৰা হৈছে। এই গাইডত সাক্ষৰতা, ভাষা আৰু সংখ্যাজ্ঞানৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক বহল দৃষ্টিভংগীৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে। প্ৰস্তাৱনা আৰু গাইডত দিয়া দিশসমূহ কেৱল পৰামৰ্শৰূপেহে প্ৰদান কৰা হৈছে। শিক্ষাৰ্থীসকলৰ স্তৰ, ক্ষমতা, প্ৰয়োজন আৰু স্থানীয় পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি এই সমূহ পৰিৱৰ্তন কৰিব পৰা যাব।

'উদয়' আদিপাঠত অন্তৰ্ভুক্ত মৌলিক সাক্ষৰতা আৰু সংখ্যাৰ শিক্ষণ বিন্দুবোৰৰ ওপৰত গুৰুত্ব দি শিক্ষাৰ্থী/স্বেচ্ছাসেৱক শিক্ষকসকলৰ বাবে অনলাইন মডিউল বা ভিডিঅ' কাৰ্যসূচী সৃষ্টি কৰা হৈছে যিবোৰ DIKSHA পৰ্টেলত সকলোৰে বাবে উপলব্ধ। এই সমলসমূহে শিক্ষাৰ্থীসকলৰ শিকন-শিক্ষণত কাৰ্যকৰীভাৱে সহায় কৰিব।

শেষত গাইড নিৰ্মাণৰ লগত জড়িত সকলো বিষয়-বিশেষজ্ঞ, অধ্যাপক সদস্য আৰু প্ৰকল্প কৰ্মীসকলৰ অক্লান্ত পৰিশ্ৰমৰ বাবে পৰিষদৰ তৰফৰ পৰা কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। লগতে সেই সকলো প্ৰণেতা আৰু সংস্থাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো যিয়ে আমাক তেওঁলোকৰ সমল প্ৰদান কৰি আৰু সহযোগীসকলৰ সহায় লোৱাত উদাৰতাৰে সমৰ্থন আগবঢ়াইছিল। এই আদিপাঠসমূহ অধিক মানবিশিষ্ট কৰিবলৈ আপোনালোকৰ পৰামৰ্শ একান্তই কামনা কৰিছোঁ।

ইতি

ড° দীনেশ প্ৰসাদ সাকলানি

সঞ্চালক

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লী

স্বেচ্ছাসেৱী শিক্ষক-শিক্ষয়িত্ৰীসকলৈ দুআষাৰ

বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাশিক্ষা সকলোৰে বাবে শিক্ষাৰ এক গুৰুত্বপূৰ্ণ অংগ। 15 বছৰ আৰু ততোধিক বয়সৰ যিসকল শিকাৰু শিক্ষিত কিন্তু বৰ্ণমালাৰ জ্ঞান নাই, বা নিৰক্ষৰ সেইসকল শিকাৰুক সাক্ষৰ কৰি তোলাই ইয়াৰ মূল উদ্দেশ্য। নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী (New India Literacy Programme)ৰ অধীনত লিখা-পঢ়া আৰু সংখ্যাৰ দক্ষতা সেইসকল শিকাৰুৰ মাজলৈ লৈ যোৱা হ'ব যিসকলে কোনো বিশেষ কাৰণত স্কুলীয়া শিক্ষা গ্ৰহণ কৰাত অসমৰ্থ হ'ল বা অব্যাহত ৰাখিব নোৱাৰিলে। সেয়েহে, নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচীৰ জৰিয়তে সামাজিক চেতনা কেন্দ্ৰসমূহ প্ৰতিষ্ঠা কৰি শিকাৰুসকলক সামৰি লক্ষ্যবলৈ বিভিন্ন উপায়েৰে চেষ্টা কৰা হৈছে। আপোনাৰ সংস্পৰ্শলৈ অহা নিৰক্ষৰ শিকাৰুসকলক লিখোৱা আৰু পঢ়োৱাৰ ক্ষেত্ৰত তেওঁলোকৰ বয়সৰ ভিন্নতা,পাৰ্শ্বপট, জীৱিকাসমূহ মন কৰাটো অত্যন্ত জৰুৰী।

আমি মনত ৰাখিব লাগিব যে এই শিকাৰুসকল বিচাৰবুদ্ধি সম্পন্ন লোক আৰু তেওঁলোকৰ জীৱন-যাপনৰ দীৰ্ঘ অভিজ্ঞতা আছে। জীৱনৰ বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে সেইবোৰৰ সৈতে খাপ খুৱাব পৰা দক্ষতাও তেওঁলোকৰ আছে। সম্ভৱতঃ এইসকল লোকৰ অধিকাংশই ঘৰৰ বাহিৰত কোনো কামত নিয়োজিত। আমাৰ লক্ষ্য হৈছে তেওঁলোকৰ দৈনন্দিন জীৱন ধাৰণৰ বাবে সাক্ষৰতা/পঠন আৰু গণিতৰ জ্ঞান-বোধ সহজ কৰি তোলা যাৰ জৰিয়তে তেওঁলোকে নিজৰ অভিজ্ঞতা আৰু বোধ (দক্ষতা) গভীৰ আৰু সম্প্ৰসাৰিত কৰিব পাৰিব। লগতে এই দক্ষতাসমূহ তেওঁলোকে জীৱনৰ বিভিন্ন পৰিস্থিতিত ব্যৱহাৰ কৰিব পাৰিব। ইয়াৰ দ্বাৰা তেওঁলোকৰ আত্মবিশ্বাস নিশ্চিতভাৱে বৃদ্ধি পাব।

আপোনালোকে মন কৰিব যে শিকাৰুসকলৰ অসমীয়া ভাষা বুজা আৰু কথনৰ ক্ষেত্ৰত সক্ষমতা আছে যদিও আনুষ্ঠানিকভাৱে পঢ়াৰ সুযোগৰ অভাৱত জীৱন ধাৰণৰ বহু ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাটো প্ৰায় নিশ্চিত। কিছুমান শিকাৰুৰ বৰ্ণমালাৰ কিছু জ্ঞান তথা মৌখিকভাৱে হিচাপ কৰাৰ দক্ষতা থাকিব পাৰে বা হিচাপ কৰাৰ অনানুষ্ঠানিক সুযোগ পাব পাৰে; কিন্তু সংখ্যা চিনাক্ত কৰাত আৰু বিভিন্ন গাণিতিক সমস্যা সমাধান কৰাত অসুবিধা থাকিব পাৰে।

পাঠসমূহত সংযুক্ত ছবি, গল্প, কবিতা বা আন যিকোনো আকর্ষণীয় সামগ্রীৰ জৰিয়তে অসমীয়া ভাষাৰ কিছুমান নতুন আখৰ, শব্দ, বাক্য পঢ়িবলৈ আৰু লিখিবলৈ শিকোৱা হৈছে। এই পঠন সামগ্রীৰ জৰিয়তে সংখ্যা জ্ঞান আৰু গাণিতিক দিশৰ সমস্যা সমাধানৰ শিক্ষা দিয়া হৈছে। আমি যদি পাঠদানৰ বিন্দুসমূহৰ ক্ষেত্রত গুৰুত্ব দিব বিচাৰো তেন্তে আমি অতিৰিক্ত স্থানীয় সমল ব্যৱহাৰ কৰিব পাৰো। ইয়াৰ দ্বাৰা আমি শিকাৰুসকলৰ স্তৰ, ক্ষমতা আৰু প্রয়োজনীয়তাক মনত ৰাখি পঠন সামগ্রী প্রস্তুত কৰিব পাৰো।

প্রস্তাৱনাত দিয়া ছবিবোৰৰ সম্পূর্ণ ব্যৱহাৰ কৰক। ছবি সমূহে শিকাৰুসকলক অনুমান কৰি লিখা-পঢ়া শিকাত সহায় কৰিব। ছবিবোৰে সমগ্র এটা প্রক্রিয়া বা পৰিঘটনাক চিহ্নিত কৰিব পাৰে। ছবিয়ে শিকাৰুসকলক যোগাযোগ কৰিবলৈ আৰু অভিজ্ঞতাসমূহ ভাগ-বতৰা কৰিবলৈ সুযোগ আগবঢ়াব।

স্বেচ্ছাসেৱী শিক্ষক হিচাপে এই দিশসমূহ জনাটো গুৰুত্বপূর্ণ-

- মন কৰিব যে সাক্ষৰ হোৱাৰ ক্ষেত্রত আমি সহায় কৰিবলৈ যোৱা শিকাৰুসকলৰ বয়স 15 বছৰ বা তাতকৈ অধিক। তেওঁলোকৰ অভিজ্ঞতাৰ ভঁৰাল আমাতকৈ বেছি হোৱাটোও অস্বাভাৱিক নহয়। গতিকে স্বেচ্ছাসেৱী শিক্ষকসকলে তেওঁলোকৰ অভিজ্ঞতাক সন্মান জনোৱাটো অতি দৰকাৰী
- শিকাৰুসকলে তেওঁলোকৰ দৈনন্দিন কাম-কাজ নিজেই সম্পাদন কৰে। গতিকে তেওঁলোকৰ কামৰ দক্ষতাৰ শলাগ লওক।
- যেতিয়া তেওঁলোকে জীৱনটো আৰু অধিক আগবঢ়াই নিবৰ বাবে এই শিক্ষাৰ (লিখা-পঢ়া আৰু সাংখ্যিক জ্ঞান) গুৰুত্ব বুজি উঠিব। তেতিয়া ইয়াক জীৱনৰ বাবে উপযোগী বুলি বিবেচনা কৰিব আৰু তেতিয়াই তেওঁলোকে শিক্ষাগ্রহণৰ প্রতি আগ্রহান্বিত হ'ব। আপোনাৰ শিকাৰুসকলক যথাসম্ভৱ ভালদৰে সাজু কৰক যাতে তেওঁলোকে যি অধ্যয়ন কৰি আছে তাৰ পৰা লাভৱান হ'ব পাৰে। ইয়াৰ পৰা আমিও বহু কথা শিকিম আৰু আত্মবিশ্বাসো বৃদ্ধি পাব। গতিকে, আমি ছাত্র-ছাত্রীসকলক সম্পূর্ণ প্রস্তুতি, কঠোৰ পৰিশ্রম আৰু শ্রদ্ধাৰে শিকাব লাগিব। উদয় আদিপাঠখন অসমীয়া ভাষাজ্ঞান আৰু সাংখ্যিক জ্ঞানৰ এক সংহত ৰূপ। ইয়াৰ প্রতিটো পাঠত অসমীয়া ভাষা জ্ঞানৰ দক্ষতা আৰু গাণিতিক দক্ষতা বিকাশৰ বাবে যথেষ্ট সুযোগ আছে।

'উদয়' আদিপাঠখনিৰ আৰম্ভণিতেই শিকাৰুসকলৰ নিজৰ নাম, ঠিকনা আৰু যোগাযোগৰ তথ্য (ফোন নম্বৰ) লিখিব পৰাকৈ যথেষ্ট ঠাই দিয়া হৈছে। শিকাৰুসকল বিভিন্ন কাৰণত বাৰম্বাৰ এনে অৱস্থাৰ সন্মুখীন হ'ব লগীয়া হয় যেতিয়া নাম, ঠিকনা ইত্যাদি লিখিবলগীয়াত পৰে। তেওঁলোকে হয়তো নিজৰ নাম লিখিব নোৱাৰিব, গতিকে শিকাৰুসকলক স্বেচ্ছাসেৱী শিক্ষকসকলে তেওঁলোকৰ নামসমূহ লিখি দিয়া উচিত, তেওঁলোকক প্রয়োজনীয় তথ্য যেনে ঠিকনা, ফোন নম্বৰ আদি লিখি দেখুৱাওক আৰু তেওঁলোকক চাই চাই লিখিবলৈ সহায় কৰক।

উদয়- আদিপাঠ খনৰ চাৰিটা ভাগৰ প্রতিটোৰে শেষত অসমীয়া ভাষাৰ বর্ণমালাখন দিয়া হৈছে। ইয়াৰ উদ্দেশ্য হৈছে শিকাৰুসকলক অসমীয়া বর্ণমালাৰ আখৰৰ সৈতে পৰিচয় কৰাই দিয়া আৰু সোঁৱৰাই থকা। কিন্তু অসমীয়া বর্ণমালাৰ আখৰৰ সৈতে পৰিচয় কেৱল দৈনন্দিন জীৱনৰ বিষয়বস্তুৰ পৰাহে আৰম্ভ কৰিব। এবাৰ আখৰবোৰ চিনাকি কৰাই ল'ব পাৰিলে শিকাৰুসকলক আখৰ জোটনি, শব্দ গঠন, বাক্য বিন্যাস আদি ক্রমান্বয়ে শিকাই ল'ব পৰা যায়। যিসকল শিকাৰুৰ ইতিমধ্যে কিছু বর্ণমালাৰ দক্ষতা আছে তেওঁলোকে প্রথমে অসমীয়া বর্ণমালাৰ চার্ট আদি ব্যৱহাৰ কৰিবলৈ দিব পাৰে।

বর্ণমালাৰ চার্ট নিয়মিত ৰূপত ব্যৱহাৰ কৰিলে শিকাৰুসকলৰ পঠন,লিখন আৰু সাংখ্যিক দক্ষতা বৃদ্ধি হ'ব। তেওঁলোকে নিজে অনুমান কৰি আখৰ চিনি পাবলৈ, পঢ়িবলৈ আৰু লিখিবলৈ এই অভ্যাসৰ পৰাই শিকিব

অসমীয়া বর্ণমালা চিনাক্তকৰণক কেন্দ্র কৰি ভাষা খেলৰ আয়োজন কৰিব পাৰি। উদাহৰণ স্বৰূপে, অসমীয়া বর্ণমালাৰ এটা আখৰেৰে আৰম্ভ কৰি শব্দ কোৱা, এটাতকৈ অধিক আখৰ ব্যৱহাৰ কৰি শব্দ পঢ়া আৰু জোটাবলৈ দিয়া ইত্যাদি। এটাতকৈ অধিক আখৰ/ধ্বনি ব্যৱহাৰ কৰি শব্দ পঢ়া আৰু লিখাৰ দৰে খেলবোৰো সহায়ক হ'ব পাৰে।

অসমীয়া বৰ্ণমালাৰ আখৰবোৰক আখৰ-জালিকা হিচাপে ব্যৱহাৰ কৰি শব্দ গঠন প্ৰক্ৰিয়াক খেলৰ ৰূপতো পৰিচালনা কৰিব পাৰি। ইতিমধ্যে শিকি অহা আখৰ/ মাত্ৰা এই আখৰ-জালিকাত ল'ব পাৰে।

তদুপৰি ব্যৱহাৰিক জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিকাৰুসকলক ইংৰাজী তথা ৰোমান সংখ্যাবোৰৰ অভ্যাস কৰোৱা হৈছে। পাঠত য'ত য'ত সংখ্যাৰ ব্যৱহাৰ হৈছে, তাত আপোনালোকে সংখ্যাবোৰ ইংৰাজীতে দেখা পাব। লগতে অসমীয়া সংখ্যাজ্ঞানো নিশ্চিত কৰিবলৈ সংখ্যাৰ তালিকা এখন প্ৰত্যেকখন আদিপাঠতে সংযুক্ত কৰা হৈছে।

গতিকে স্বেচ্ছাসেৱী শিক্ষক-শিক্ষয়িত্ৰীসকললৈ আমাৰ ক'ব লগীয়া এইখিনিয়েই।

ইতি,

ৰাষ্ট্ৰীয় সাক্ষৰতা কেন্দ্ৰৰ হৈ

অধ্যাপক (ড°) উষা শৰ্মা

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লী

লগতে,

'উদয়' আদিপাঠ সংকলন সমিতি

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ (State Centre for Literacy,SCERT Assam)

মূল আদিপাঠ 'উজাস'ৰ প্ৰণয়ন সমিতি

অধ্যক্ষ

দীনেশ প্রসাদ সাকলানি, সঞ্চালক, এন.চি.ই.আৰ.টি. নতুন দিল্লী

পৰামর্শদাতা

অনুপ কুমাৰ ৰাজপুত, অধ্যাপক আৰু বিভাগীয় প্রধান, প্রকাশন বিভাগ, এনচিইআৰটি, নতুন দিল্লী
ৰঞ্জনা অৰোৰা, অধ্যাপক আৰু বিভাগীয় প্রধান, পাঠ্যক্রম অধ্যয়ন বিভাগ, এনচিইআৰটি, নতুন দিল্লী
শ্রীধৰ শ্রীবাস্তৱ, যুটীয়া সঞ্চালক, এন.চি.ই.আৰ.টি. নতুন দিল্লী
সন্ধ্যা সিং, অধ্যাপক আৰু ভাষা শিক্ষা বিভাগৰ প্রধান, এনচিইআৰটি, নতুন দিল্লী

প্রণয়ন সমিতি

অক্ষয় কুমাৰ দীক্ষিত, মেন্টৰ শিক্ষক, শিক্ষা সঞ্চালকালয়, দিল্লী
কৃত প্রসাদ, অধ্যক্ষ, মধ্যবিদ্যালয়, গৌধাপুৰ, চণ্ডী, নালন্দা, বিহাৰ
কামেশ্বৰ ৰাও, অৱসৰপ্রাপ্ত অধ্যাপক, আঞ্চলিক শিক্ষা প্রতিষ্ঠান, ভুপাল, মধ্যপ্রদেশ
গুণজন খুৰানা, প্রাথমিক শিক্ষা বিভাগৰ জ্যেষ্ঠ পৰামর্শদাতা, এনচিইআৰটি, নতুন দিল্লী
তৃপ্তি উপাধ্যায়, পৰামর্শদাতা, প্রাথমিক শিক্ষা বিভাগ, এনচিইআৰটি, নতুন দিল্লী
ধর্মপ্রকাশ, অৱসৰপ্রাপ্ত অধ্যাপক, প্রাথমিক শিক্ষা বিভাগ, এনচিইআৰটি, নতুন দিল্লী
নিশাত ফাৰুক, প্রাক্তন সঞ্চালক, ৰাজ্যিক সম্পদ কেন্দ্র, জামিয়া মিলিয়া ইছলামিয়া, নতুন দিল্লী
প্রভাত লেখক, জয়পুৰ, ৰাজস্থান
মহিমাহ বংছাল, জুনিয়ৰ প্রজেক্ট স্কোলাৰ, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র-প্রকোদ, এনচিইআৰটি নতুন দিল্লী
মালবিকা ৰায়, শিক্ষা পৰামর্শদাতা, নতুন দিল্লী
যচনা গুপ্ত, জ্যেষ্ঠ পৰামর্শদাতা, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র- কোষ, এনচিইআৰটি, নতুন দিল্লী
ইয়াছমিন আশ্রফ, পৰামর্শদাতা, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র-কোষ, এনচিইআৰটি, নতুন দিল্লী
বছৰা সিংঘাল, জুনিয়ৰ প্রজেক্ট স্কোলাৰ, প্রাথমিক শিক্ষা বিভাগ, এনচিইআৰটি, নতুন দিল্লী
শিৱ শ্রীবাস্তৱ , জুনিয়ৰ প্রজেক্ট স্ক'লাৰ, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র-কোষ, এনচিইআৰটি, নতুন দিল্লী
সত্যবীৰ সিং, অধ্যক্ষ, ৰাজকীয় ইণ্টাৰ কলেজ, বাঘপাট, উত্তৰ প্রদেশ
শ্যাম সুশীল, সাহিত্যিক, বসুন্ধৰা এনক্লেভ, নতুন দিল্লী
সোণালী, জুনিয়ৰ প্রজেক্ট স্ক'লাৰ, নেচনেল লিটাৰেচি চেণ্টাৰ চেল, এনচিইআৰটি, নতুন দিল্লী
সোণিকা কৌশিক, কার্যবাহী সঞ্চালক, টাটা ট্রাষ্ট, নতুন দিল্লী
উষা শর্মা, অধ্যাপিকা আৰু প্রভাৰী, নেচনেল লিটাৰেচি চেণ্টাৰ চেল, এনচিইআৰটি, নতুন দিল্লী

পর্যালোচনা সমিতি

আয়ুষ্মান গোস্বামী, অধ্যাপক আৰু অধ্যক্ষ, শিক্ষা বিভাগ, আঞ্চলিক শিক্ষা প্রতিষ্ঠান, আজমেৰ, ৰাজস্থান
কাঞ্চন দেওৰাৰী, অতিৰিক্ত সঞ্চালক, এছচিইআৰটি, ডেৰাডুন, উত্তৰাখণ্ড
চন্দকিৰণ ছালুজা, সঞ্চালক, সংস্কৃত সম্বর্ধন প্রতিষ্ঠান, নতুন দিল্লী
প্রশান্ত পাণ্ডে , সহকাৰী সঞ্চালক, এছচিইআৰটি, ৰায়পুৰ, ছত্তীশগড়
সঞ্জীৱ কুমাৰ, প্রাক্তন অধ্যক্ষ, ডায়েট, আৰ. কে. পুৰম, নতুন দিল্লী
সত্যবীৰ সিং, অধ্যক্ষ, চৰকাৰী আন্তঃ মহাবিদ্যালয়, বাঘপাট, উত্তৰ প্রদেশ
উষা শর্মা, অধ্যাপিকা আৰু প্রভাৰী ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র-কোষ, এনচিইআৰটি. নতুন দিল্লী

সদস্য সমন্বয়ক

উষা শর্মা, অধ্যাপিকা আৰু প্রভাৰী ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র-কোষ, এনচিইআৰটি. নতুন দিল্লী

আদিপাঠ 'উজাস'ৰ অসমীয়া সংস্কৰণ 'উদয়'ৰ সংকলন সমিতি

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ,অসমৰ দ্বাৰা প্ৰকাশিত

সঞ্চালক

ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

সম্পাদনা সমিতি

লক্ষ্মীকান্ত দাস, অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ,অসম
বৰষা শইকীয়া, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
মনস্বী গোঁহাই, প্ৰশিক্ষণ পৰিদৰ্শক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ,অসম
ড° শিৱোমণি ভূঞা, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান কামৰূপ,মিৰ্জা
ড° হিমাংশু গোস্বামী, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান দৰং, দলগাঁও
ড° ইমন বৰদলৈ, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান দৰং, দলগাঁও
মন্দাকিনী ডেকা, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান যোৰহাট, তিতাবৰ
চয়নিকা শইকীয়া, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান নগাঁও,চামগুৰি
ড° অভিমন্যু দত্ত, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান শোণিতপুৰ, বিশ্বনাথ চাৰিআলি

আদিপাঠ প্ৰস্তুতকৰণ কৰ্মশালাৰ অন্যান্য সমল ব্যক্তিসকল

ড° দেৱ কুমাৰ দত্ত, অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ,অসম
প্ৰীতিপুষ্পা বৰুৱা, জ্যেষ্ঠ প্ৰবক্তা,জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান কামৰূপ,মিৰ্জা
দীপক তালুকদাৰ, জ্যেষ্ঠ প্ৰবক্তা,জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান বঙাইগাঁও
কৰবী ডেকা, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান নলবাৰী
মাহুল চৌধুৰী, ভাৰপ্ৰাপ্ত অধ্যক্ষ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান কৰিমগঞ্জ
মলয় বৰুৱা, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কাৰ্বিআংলং
অকণ তালুকদাৰ, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোলাঘাট
গোবিন্দ বসুমতাৰী,জ্যেষ্ঠ প্ৰবক্তা,জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰ

ক্ষেত্ৰভিত্তিক সমল

স্বৰাজ ফুকন, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়

প্ৰচ্ছদ-অলংকৰণ

প্ৰাগজ্যোতিষ ভূঞা, শিক্ষক শিক্ষণ মহাবিদ্যালয়, নগাঁও

কাৰিকৰী সহযোগ

প্ৰাঞ্জল তালুকদাৰ, শংকৰদীপ ডেকা, নন্দিতা দত্ত, এচ চি ই আৰ টি

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

সঞ্চালকৰ একাষৰ

"জন জন সাক্ষৰ" - এক বিশেষ শ্লোগান সাৰোগত কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ আধাৰত সকলোৰে বাবে শিক্ষা নিশ্চিত কৰিবলৈ এক জন আন্দোলন আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ নামেই হৈছে নৱভাৰত সাক্ষৰতা কাৰ্যসূচী। ১৫ বছৰ বয়সৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠজনলৈকে সকলোৱে যাতে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞান আয়ত্ত কৰি অবিৰত শৈক্ষিক সুবিধা লাভ কৰে, তাৰ বাবে এই কাৰ্যসূচীত লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তদানুসাৰে তেওঁলোকে যাতে ব্যক্তিগত, সামাজিক তথা বৃত্তিগত জীৱনত নতুন গতিশীলতাৰে আগবাঢ়িদেশৰ সেৱাত অধিক অৱদান যোগাব পাৰে তাৰ বাবেও এক দীৰ্ঘম্যাদী চিন্তন নৱভাৰত সাক্ষৰতা কাৰ্যসূচীত প্ৰতিফলিত হৈছে। ইতিমধ্যে পূৰ্বৰ প্ৰাপ্তবয়স্ক শিক্ষা অভিধাটোতকৈ (সকলোৰে বাবে শিক্ষা)ৰ ধাৰণাটো অধিক সুদৃঢ় কৰা হৈছে যাতে এই কাৰ্যসূচীয়ে কোনো বয়সভিত্তিক প্ৰতিকূলতাৰ সৃষ্টি নকৰে।

ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ আধাৰত এই নৱভাৰত সাক্ষৰতা কাৰ্যসূচীয়ে পাঁচটা বিশেষ দিশক প্ৰতিনিধিত্ব কৰিছে, যেনে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা, জীৱন কৌশল,কাৰিকৰী জ্ঞানৰ বিকাশ, বুনিয়াদী তথা প্ৰাথমিক শিক্ষা আৰু অবিৰত শিক্ষা। গতিকে এই উদ্দেশ্য আগত লৈ অসম চৰকাৰৰ ৰাজ্যিক সাক্ষৰতা অভিযান কৰ্তৃপক্ষৰ তৰফৰ পৰা নৱভাৰত সাক্ষৰতা কাৰ্যসূচীৰ ৰূপায়ণ আৰম্ভ কৰা হৈছে। একেদৰে ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমত প্ৰতিষ্ঠা কৰা ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰৰ তৰফৰ পৰা শৈক্ষিক কামকাজসমূহ আগবঢ়াই নিয়া হৈছে। ইয়াৰে প্ৰথম খোজ হিচাপে শিক্ষাৰ্থীৰ সহজ শিক্ষণৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ ৰাষ্ট্ৰীয় সাক্ষৰতা কেন্দ্ৰৰ কোষৰ পৰা প্ৰকাশ কৰি উলিওৱা **'উজাস'** শীৰ্ষক আদিপাঠৰ আলম লৈ অসমীয়া ভাষাত **'উদয়'** শীৰ্ষক আদিপাঠ চাৰিটা ভাগত প্ৰকাশ কৰা হৈছে। **'উদয়'** আদিপাঠত বৰ্ণমালা জ্ঞান, সাংখ্যিকতাৰ পৰা আৰম্ভ কৰি ব্যৱহাৰিক জীৱনৰ অৰ্হতাসমূহলৈকে সামৰি লোৱা হৈছে। আশা কৰা হৈছে স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৱুসকলক অভিজ্ঞতালব্ধ শিক্ষা পদ্ধতিৰে এই পাঠসমূহ তথা শিকন ফলাফলসমূহ আয়ত্ত কৰাত সহায় কৰিব। যথোপযুক্ত নিৰ্দেশনাসমূহো এই আদিপাঠত সংযোগ কৰা হৈছে যাতে শিকাৱুসকলক উচিতভাবে জড়িত কৰাব পৰা যায়।

যথার্থতে এয়া এক সময়ৰ দাবী যে আমাৰ দেশৰ প্ৰতিজন নাগৰিকে শৈক্ষিক উত্তৰণৰ জৰিয়তে কৌশলভিত্তিক অৰ্থনীতিলৈ অৱদান যোগাব পাৰে। উক্ত উদ্দেশ্যৰ সাকাৰ ৰূপ দিবলৈ অসমৰ মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত অসম চৰকাৰ যত্নৱান হৈছে। মাননীয় শিক্ষামন্ত্রী ড° ৰণোজ পেগু মহোদয়ে বিভাগীয় উপদেষ্টা, বিষয়ামণ্ডলী তথা অগ্রগামী কৰ্মীসকলৰ সহযোগত নৱভাৰত সাক্ষৰতা কাৰ্যসূচী সুন্দৰকৈ আগবঢ়াই নিছে। এইক্ষেত্রত ৰাজ্যিক সাক্ষৰতা কেন্দ্র গঠন কৰি কাৰ্যসূচীটোৰ শৈক্ষিক কৰ্ম সম্পাদন কৰিবলৈ আমাক তেখেতসকলে আগবঢ়াই দিছে। কাৰ্যসূচীৰ ৰূপায়ণ কৰাৰ ক্ষেত্রত অনানুষ্ঠানিক আৰু প্রাপ্তবয়স্ক শিক্ষা সঞ্চালকালয়ে ৰণনীতি প্রস্তুত কৰিছে। একেদৰে জিলা পৰ্যায়ত জিলা আয়ুক্তৰ তত্ত্বাৱধানত শিক্ষা বিষয়াসকলে ডায়েট তথা শিক্ষাখণ্ডসমূহৰ সৈতে সংঘবদ্ধ প্রচেষ্টাৰে ইতিমধ্যে আগবাঢ়িছে। আমি নৱভাৰত সাক্ষৰতা কাৰ্যসূচীৰ সফলতা কামনা কৰিছো আৰু **'উদয়'** আদিপাঠ শিকাৰুসকললৈ আগবঢ়াই দিছো।

ড° নিৰদা দেৱী
সঞ্চালক
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম
কাহিলীপাৰা, গুৱাহাটী-১৯

সূচী-পত্ৰ

পাতনি *iii*

স্বেচ্ছাসেৱকলৈ দুআষাৰ *v*

প্ৰৱেশিকা প্ৰস্তুত সমিতি *ix*

কৃতজ্ঞতা *xi*

1. পৰিয়াল আৰু চুবুৰীয়া **2–23**

- অ, আ, ন, প, স, ৰ, ৱ
- ৰঙিলীৰ পৰিয়াল
- 1 ৰ পৰা 9 লৈকে সংখ্যা চিনিপোৱা, পঢ়া আৰু লিখা
- আহানা ডাৱৰ্ (কবিতা)

2. কথা-বতৰা **24–53**

- ই, ঈ, ব, ত, ম, খ, ট, চ
- বিদ্যালয়লৈ চিঠি
- 10 ৰ পৰা 20 লৈ সংখ্যা চিনিপোৱা, পঢ়া আৰু লিখা
- 20 লৈকে সংখ্যাবোৰৰ যোগ আৰু বিয়োগ
- অন্ধকাৰ নগৰৰ মূৰ্খ ৰজা, পাচলি সেৱত একঅনা, মিঠাই সেৱত একঅনা

3. আমাৰ ধৰণ-কৰণ **54–86**

- ও, ঔ, ঝ, দ, য, ল, গ, ক
- কাতি বিহুৱা চাকি
- 21 ৰ পৰা 50 লৈকে সংখ্যা চিনিপোৱা, পঢ়া আৰু লিখা
- একক আৰু দহকৰ গনণা
- 50 লৈকে সংখ্যাবোৰৰ যোগ আৰু বিয়োগ
- কাহিনী

বিঃ দ্ৰঃ -শিকাৰুসকলৰ ব্যৱহাৰিক জীৱনত ইংৰাজীত লিখা সংখ্যাবোৰৰ ব্যৱহাৰ অধিক। সেয়ে আদিপাঠপ্ৰথম ভাগত অসমীয়া আৰু ইংৰাজী, দুয়োটা ভাষাৰে সংখ্যাৰে সৈতে পৰিচয় কৰোৱা হৈছে যদিও পৰৱৰ্তী আদিপাঠসমূহত ইংৰাজীতে সংখ্যাবোৰ ব্যৱহাৰ কৰা হৈছে।

আমাৰ কিতাপ


নাম _____

ঠিকনা _____

_____

ফোন নম্বৰ _____


প্রাথমিক স্বাস্থ্য কেন্দ্র
আৰিফৰ জোতা-দোকান
মনিৰ কাপোৰ-দোকান



আলোচনাৰ বাবে -

1. এই ছবিখন ক'ৰ? 2. কোনে কি কি কৰি আছে? 3. আপোনাৰ গেলামালৰ দোকানত কি কি পোৱা যায়?
4. এই ছবিখনত মুঠতে কেইজন ল'ৰা-ছোৱালী আছে? 5. ছবিখনত 4 ক'ত লিখা আছে? 6. ছবিখনত মুঠ কেইখন খাট আছে?


1 পৰিয়াল আৰু চুবুৰীয়া

শিকোঁ আহক

অ	আ	ন	প	স	ৰ	ৱ

- 1 ৰ পৰা 9 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা

ছবি চাই পঢ়ো আহক -



দোকান



পৰিয়াল




ৰাইজ




পথ



পাকঘৰ



দুৱাৰ



ঘৰ



চুবুৰীয়া




সাপ

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক এজন এজনকৈ সকলো ছবি চিনাক্ত কৰিবলৈ দিয়ক । ছবিৰ সৈতে মিলাকৈ শব্দ দিয়া হৈছে । শব্দবোৰ আঙুলি থৈ পঢ়িবলৈ ক'ব ।

ছবি চাই পঢ়ো আহক -

তলৰ কোনবোৰ আপোনাৰ ঘৰত আছে? শুদ্ধ (✓) চিন দিয়ক ।




মাটিৰ চৌকা



পাখি



কেলেণ্ডাৰ



চাইকেল



চিলিণ্ডাৰ



নল

পঢ়ক আৰু লিখক –

অ



অসম




অমিতা

অ অ

আ



আইতা



আম

আ আ

শিক্ষকলৈ নির্দেশনা - প্রতিজন শিকাৰুকে ছবি চিনাক্ত কৰিবলৈ দিয়ক । 'অ' আৰু 'আ' ৰ মাজত থকা ধ্বনি আৰু আকৃতিৰ পার্থক্যও বুজাই ক'ব । এইদৰে বাকী আখৰবোৰো পঢ়িবলৈ আৰু লিখিবলৈ দিব ।

ন



নদী



নখ

ন ন

না



নারিকেল



নাক

না না

প



পদুম




পক্ষী

প প

পা



পাত



পাৰ

পা পা

স



সখী



সঁজা

স স

সা

7




সাত

সাগৰ

সা সা

ৰ






ৰচী

ৰজা

ৰ ৰ

ৰা





ৰাস্তা

ৰাণী

ৰা ৰা

ৱ




ভৱন



ৰোৱনী

ৱ ৱ

ৱা



কুঁৱা



ধোঁৱা

ৱা ৱা

মোৰ শব্দ

শিক্ষকলৈ নির্দেশনা - 'পৰিয়াল আৰু চুবুৰীয়া'ৰ বিষয়ে আলোচনা কৰক । শিকাৰুৰ সৈতে আশে-পাশে থকা মানুহৰ জীৱন ধাৰণ আৰু সামাজিক সম্পর্কৰ বিষয়ে আলোচনা কৰক । শিকাৰুসকলক প্রশ্ন কৰি এই বিষয়ৰ সৈতে জড়িত 3 – 4 টা শব্দ লিখিবলৈ দিব । এই শব্দসমূহ তেওঁলোকৰ কথিত ভাষাৰো হ'ব পাৰে ।

ৰঙিলীৰ পৰিয়াল



পথাৰ আমাৰ মান,
পাৰো আহা কঠিয়া
ৰুই যাওঁ ধান।
লখিমীৰে ভৰিব আমাৰ চোতাল।

আপুনি কি ভাবে?

প্রশ্ন 1: ছবিখনত মৰণা মৰা কাম চলি আছে নেকি ? হয় ☐ নহয় ✓

প্রশ্ন 2: আপোনাৰ গাঁৱত ধান খেতি কৰা হয় নেকি ? হয় ☐ নহয় ☐

প্রশ্ন 3: আপোনাৰ পৰিয়ালেও মিলিজুলি কিবা কাম-কাজ কৰে নেকি? হয় ☐ নহয় ☐

প্রশ্ন 4: সেই কামত আপুনি আপোনাৰ পৰিয়ালক সহায় কৰে নেকি? হয় ☐ নহয় ☐

শিক্ষকলৈ নির্দেশনা - ওপৰৰ প্রশ্নবোৰৰ আধাৰত - শিকাৰুসকলৰ সৈতে তেওঁলোকৰ পৰিয়াল আৰু কাম-কাজৰ বিষয়ে আলোচনা কৰক। প্রশ্নবোৰত আঙুলি থৈ পঢ়ক আৰু শিকাৰুসকলক হয়/নহয় (✓) চিন দিবলৈ কওক ।

চাওঁক, পঢ়ক আৰু লিখক

অ ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -

অসম ৰস পাত পান

আ ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -

পানী আখৰ নখ নৰ

ৱ মাজত থকা শব্দ চিনাক্ত কৰি লিখক -

পাশা সৎ ডাৱৰ নাও

ৱা শেষত থকা শব্দ চিনাক্ত কৰি লিখক -

সাগৰ খানা গান ৰোৱা

ন ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -

বাৰ নখ নাৰী নাটক

না ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -

আম নাও বৰফ নৱ

ৰ ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -

পাৰ পাত পান ৰস

স ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -


বতৰ সাগৰ সময় পাকঘৰ

প ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক -

নাও বৰ পনীয়া পাতল

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক শব্দ পঢ়িবলৈ আৰু লিখিবলৈ সুযোগ দিব। লগতে শব্দ লিখিবলৈ তেওঁলোকক সহায় কৰি দিব।

গণনা কৰক আৰু সংখ্যা চিনাক্ত কৰক ।




1 ১

এখন নাও




2 ২

দুপাত জুনুকা



3 ৩

তিনি পাহ ফুল




4 ৪

চাৰিটা আম




5 ৫

পাঁচটা ঘৰ




6 ৬

ছয়টা বগলী



7 ৭

সাতটা কলহ



8 ৮

আঠটা নল



9 ৯


নটা ডালিম

শিক্ষকলৈ নির্দেশনা - এইটো চেষ্টা কৰিব যাতে শিকাৰুৱে ছবিত দেখা বস্তুবোৰ গণনা কৰে আৰু দেখুওৱা সংখ্যাটো চিনিব পাৰে। শিকাৰুক নিজৰ আশে-পাশে থকা বস্তুবোৰ গণিবলৈ সুবিধা কৰি দিব । যেনে- কোঠাটোত কেইজন ব্যক্তি আছে ?
এই আদিপাঠসমূহত শিকাৰুসকলৰ দৈনন্দিন জীৱনৰ ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য কৰা হৈছে। সেয়ে ব্যৱহাৰিক শিকনৰ উদ্দেশ্যে সংখ্যাবোৰ ইংৰাজীত ব্যৱহাৰ কৰা হৈছে। কিন্তু একেদৰে অসমীয়া সংখ্যাবোৰো যাতে শিকাৰুৱে শিকিব পাৰে, সেয়ে আদিপাঠ, ভাগ-1ত অসমীয়া সংখ্যাসমূহো বন্ধনীৰ ভিতৰত দিয়া হৈছে ।

■ সংখ্যা অনুসৰি ঘেৰ দি এটাকৈ গোট তৈয়াৰ কৰক -


4

চাৰিটা আম



7

সাতটা নল



শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক উৎসাহিত কৰক যাতে তেওঁলোকে সংখ্যা চিনিব পাৰে আৰু সংখ্যা অনুসৰি বস্তু ঘেৰ দি গণনা কৰিব পাৰে।

▪ বস্তুবোৰৰ গোটসমূহক সংখ্যাৰ সৈতে মিলাওক

1 এক

2 দুই

3 তিনি

4 চাৰি


5 পাঁচ

6 ছয়

7 সাত

8 আঠ

9 ন



শিক্ষকলৈ নির্দেশনা- এই চেষ্টা কৰিব যাতে শিকাৰুসকলে প্ৰতিটো গোটতে দেখুওৱা বস্তুবোৰ গণনা কৰি লিখে আৰু সংখ্যাৰ সৈতে মিলায় ।

■ মোবাইলত কোনটো অংক ক'ত আছে?



■ আপোনাৰ বা আপোনাৰ চিনাকি কাৰোবাৰ মোবাইল নম্বৰটো লিখক ।

_____

■ এই মোবাইল নম্বৰটোত কোনটো সংখ্যা এবাৰতকৈ ডায়েল কৰিব ?

_____

■ সংখ্যা কেইটা মাতক আৰু লিখক -

1 1 _____ 6 6 _____

2 2 _____ 7 7 _____

3 3 _____ 8 8 _____

4 4 _____ 9 9 _____

5 5 _____

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক মোবাইলত থকা সংখ্যাবোৰ লিখিবলৈ অভ্যাস কৰোৱাব । চেষ্টা কৰিব যাতে শিকাৰুসকলে প্ৰথমে এই সংখ্যাবোৰ বিন্দুযুক্ত ৰেখাৰ সহায়ত লিখি পিছত নিজে ক'ব আৰু লিখিব। যি সকল শিকাৰুৰ অধিক অনুশীলনৰ প্ৰয়োজন আছে তেওঁলোকক বাৰে বাৰে অনুশীলন কৰিবলৈ দিব। এইটো চেষ্টা কৰিব যে শিকাৰুসকলে যাতে মোবাইলৰ কি-পেডত লিখি যোৱা সংখ্যাৰ ক্ৰম চিনি পায় আৰু সেই অনুসৰি সংখ্যাবোৰ 1 পৰা 9 লৈকে লিখে।

- ৰতনৰ পৰিয়াল গৰুগাড়ীৰে গৈ আছে। এতিয়া চাওঁক, গণনা কৰক আৰু লিখক।



- গাড়ীখনত মুঠ কেইগৰাকী ব্যক্তি আছে?
- গাড়ীখনত কেইজন পুৰুষ আছে ?
- গাড়ীখনত কেইগৰাকী মহিলা আছে?
- পাচিত কেইটা তৰমুজ আছে?
- গাড়ীখনত কেইটা চকা আছে?
- গাড়ীখনত কেইটা লেম্প আছে?

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক বস্তুবোৰ গণনা কৰি সংখ্যাবোৰ লিখিবলৈ অভ্যাস কৰোৱাব । শিকাৰুসকলক সংখ্যা পঢ়িবলৈ আৰু লিখিবলৈ সহায় কৰিব। আপুনি আশে-পাশে থকা বস্তুবোৰ গণনা কৰিবলৈও দিব পাৰে ।

এই কবিতাটো একেলগে পঢ়ক

আ-ৰে আহা
ডা-ৰে ডাৱৰ
পা-ৰে পানী
আহানা ডাৱৰ।

ধ-ৰে ধৰিত্রী
ত-ৰে তপত
ন-ৰে নদী
নদীওযে শুকাল।

প-ৰে পখিলা
পখী হয় নীৰৱ
হ-ৰে হাঁহি-মাত
সকলো যে নিৰস ।

ঝ-ৰে ঝিৰ-ঝিৰ
ব-ৰে বৰষি
গ-ৰে গৰজি
আহানা ডাৱৰ।

ঝ-ৰে ঝিৰ-ঝিৰ
ব-ৰে বৰষি
গ-ৰে গৰজি
আহানা ডাৱৰ।




তলত দিয়া বর্ণবোৰেৰে আৰম্ভ হোৱা শব্দবোৰ কবিতাটোত চিনাক্ত কৰি লিখক -

আ..... প .....

ন..... পা .....

ছবি চাই খালী ঠাই পূৰ কৰক -

1. ব.....লী 

2. বা...তি 

3. ডা.....ম 

4. ব... 

5. আ.....ম 

6. ....ল 

শিক্ষকলৈ নির্দেশনা- শিকাৰুসকলৰ সৈতে লগ হৈ কবিতাটোত থকা বর্ণ আৰু শব্দ চিনাক্ত কৰিব আৰু লিখাত শিকাৰুসকলক সহায় কৰিব ।কবিতাটো শব্দ কৰি পঢ়িবলৈ কৰিব।


ডাকঘৰ



আলোচনাৰ বাবে-

1. নিজৰ কথা আনলৈ পঠিয়াবলৈ এই চিত্ৰখনত কি কি উপায় প্ৰয়োগ কৰা হৈছে?
2. আপুনি কেতিয়াবা ডাকঘৰলৈ গৈছে নে?
3. আপুনি ডাকঘৰলৈ কি কি কামত যায়?
4. বা-বাতৰি কি কি উপায়েৰে পোৱা যায়?
5. মোবাইলৰ ব্যৱহাৰ কথাবতৰা পতাৰ বাহিৰেও অন্য কি কি কামত ব্যৱহাৰ কৰা হয়?

2 কথা-বতৰা

শিকোঁ আহক

ই	ঈ	ব	ত	ম	খ	ট	ছ

- 10 পৰা 20 লৈকে সংখ্যা চিনাক্ত কৰা , পঢ়া আৰু লিখা
- 20 লৈকে সংখ্যা যোগ আৰু বিয়োগ কৰা

ছবি চাই পঢ়ক-



বাতৰিকাকত



মাইক



কথোপকথন




মোবাইল



চিঠি



টেলিভিচন



এছ.এম.এছ



টেলিফোন



ডাক-বাকচ

শিক্ষকলৈ নির্দেশনা-

শিকাৰুসকলক সকলো ছবি চিনাক্ত কৰিবলৈ দিব। ছবিৰ সৈতে থকা শব্দবোৰ পঢ়িবলৈ দিব।

ছবি চাই পঢ়ক -

তলত দিয়া কোনবোৰ বস্তু আপোনাৰ ঘৰ আৰু আশে পাশে ব্যৱহাৰ হয়?
শুদ্ধ ছবিত (✓) দিয়ক।





ৰেডিঅ’ টেলিভিছন





ডাক-বাকচ কলম

মোৰ শব্দ

শিক্ষকলৈ নির্দেশনা - 'পৰিয়াল আৰু চুবুৰীয়া'ৰ বিষয়ে আলোচনা কৰক । শিকাৰুৰ সৈতে আশে-পাশে থকা মানুহৰ জীৱন ধাৰণ আৰু সামাজিক সম্পর্কৰ বিষয়ে আলোচনা কৰক । শিকাৰুসকলক প্রশ্ন কৰি এই বিষয়ৰ সৈতে জড়িত 3 – 4 টা শব্দ লিখিবলৈ দিব । এই শব্দসমূহ তেওঁলোকৰ কথিত ভাষাৰো হ'ব পাৰে ।

ব



বগলী



বৰষুণ

ব

বা



বাছ



বাঘ

বা

বি



বিজুলী



বিহু

বি

বী



বীজ





বীণা

বী

শিক্ষকলৈ নির্দেশনা - ছবি চাই শব্দ পঢ়িবলৈ শিকাৰুসকলক সহায় কৰক আৰু তেওঁলোকৰ হতুৱাই আখৰ লিখোৱাব।

ত





তবলা

তলা

ত





তাল

তাঁত

তা

ি

ি



তিনি

তিৰোতা

ি

ী






তীখা


তীৰ

ী

ম



মহ




মকৰা

ম

মা




মাতৃ




মাছ

মা

মি



মিঠাই




মিল

মি

মী



মীৰা বাঈ



মীন

মী

খ






খৰম

খৰাহী

খ

খা




খাদ

খাম

খা

খি





খিলি

খিৰিকী

খি

খী



খীন

খীৰতী গাই

খী

ট



টকা



টকৌ

ট

ঢা



ঢাব



ঢাঙোন

ঢা

ট



টিলা



টিলিঙা

ট

ঠ



কুটীৰ

টীকাকৰণ

ঠ

চ



চৰাই



চকু

চ

চা



চামুচ




চাহপাত

চা

চি





চিলনী

চিঠি

চি

চী





চীন

ইলাচী

চী

বিদ্যালয়লৈ চিঠি

04.02.2022

নমস্কাৰ

মহোদয়া,

মোৰ ছোৱালী তগৰ আপোনাৰ বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী। আমি দুমাহৰ বাবে গাঁৱলৈ গৈছিলোঁ। আমি এতিয়া গাঁৱৰ পৰা উভটি আহিলোঁ কিন্তু তগৰৰ নাম বিদ্যালয়ৰ পৰা কাটি দিয়া হ'ল। অনুগ্ৰহ কৰি তগৰক পুনৰ বিদ্যালয়ত নামভৰ্ত্তি কৰিবলৈ দিয়ে যেন ।

ধন্যবাদ

আৰতি

(তগৰৰ মাক)



শিক্ষকলৈ নির্দেশনা - ওপৰত দিয়া চিঠিখন শিকাৰুসকলক পঢ়ি শুনোৱাব । তেওঁলোকৰ লগত কথাপাতি জানিবলৈ চেষ্টা কৰিব যে তেওঁলোকে কেতিয়াবা চিঠি লিখিবলগীয়া হৈছেনে? পিছৰ পৃষ্ঠাত দিয়া প্ৰশ্নবোৰ পঢ়িবলৈ দিব আৰু শিকাৰুসকলক হয় / নহয়ত (✓) চিন দিবলৈ নির্দেশ দিব।

পঢ়ক আৰু কওঁক

প্রশ্ন 1. আপোনাৰ কেতিয়াবা চিঠি লিখাৰ প্রয়োজন হৈছে নে? হয় ☐ নহয় ☐

প্রশ্ন 2. আপোনাৰ ঘৰৰ ওচৰে-পাজৰে কোনো ডাক-বাকচ বা ডাকঘৰ আছে নে? হয় ☐ নহয় ☐

প্রশ্ন 3. আপুনি কেতিয়াবা ডাকঘৰলৈ গৈছে নে? হয় ☐ নহয় ☐

প্রশ্ন 4. ডাকঘৰত আপোনাৰ জমা বহী আছে নে? হয় ☐ নহয় ☐

চাওঁক, পঢ়ক আৰু লিখক

ই ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

চাটনী ইকৰা চৰাই তিনি

ঈ ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

বার্তা টিলা ঈগল নতুন

খ ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

টেঙা খৰম খাত পাচন

টা ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

চিকাৰী নয়ন আটা টাঙোন

মী ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

মামী তিতা মিঠা মীৰাবাঈ

বি ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

বিৰল বিল বীৰ চকুলো

খি ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

ক্ষীৰ খিৰিকী খেলুৰৈ খাট

চী ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

চানা চিলনী চীন চিকাৰ

মা ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

মাতৃ বীমা চমক চিমনী

পী ৰে আৰম্ভ হোৱা শব্দ চিনাক্ত কৰি লিখক

পিতা পাহাৰ পিঠা পীড়া

মোৰ ভাল লগা কাম

শিক্ষকলৈ নির্দেশনা - শব্দ পঢ়িবলৈ শিকাৰুসকলক সহায় কৰক। শব্দৰ প্ৰথমতেই, মাজত বা শেষত থকা ভিন ভিন ধ্বনিৰ শব্দ লিখিবলৈ দিব। শিকাৰুসকলক বৰ্ণ চিনাকি কৰোৱাৰ লগতে সেই বৰ্ণৰ লগত জড়িত শব্দ চিনাক্ত কৰিবলৈ উৎসাহিত কৰিব।

আহক, গণনা কৰোঁ






এই নোট খনত 5 কেইবাৰ ছপা হৈছে, ছবিত চিন দিয়ক আৰু লিখক -





এই নোট খনত 10 কেইবাৰ ছপা হৈছে, ছবিত চিন দিয়ক আৰু লিখক -

আহক, একেলগে গণনা কৰোঁ




দহটা নল 10




এঘাৰটা নল 11


শিক্ষকলৈ নির্দেশনা - নোটৰ ওপৰ আৰু তলফালে থকা সংখ্যা চিনাক্ত কৰিবলৈ শিকাৰুসকলক উৎসাহিত কৰিব আৰু ছবিত দিয়া বস্তুবোৰৰ সংখ্যা গণনা কৰিবলৈ দিব । ইচ্ছা কৰিলে আশে-পাশে থকা বস্তুও গণনা কৰি লিখিব পাৰে।




বাৰটা পাত 12




তেৰটা আলমাৰি 13




চৈধ্যখন চিলা 14




পোন্ধৰ পাহ ফুল 15




ষোল্লটা নাৰিকল 16




সোতৰটা ডালিম 17



ওঠৰটা মাছ 18



উনৈশটা মণি 19



বিশডাল কাঠি 20

- **মিনতিৰ পৰিয়ালত পাঁচ জন মানুহ আছে। আজি তেওঁলোকৰ ঘৰলৈ আৰু চাৰিজন মানুহ আহিল। এতিয়া মিনতিৰ ঘৰত মুঠতে কিমানজন মানুহ আছে ?**


আৰু


মিলি হ'ল


5	গৰাকী আৰু	4	গৰাকী মিলি হ'ল	9	গৰাকী
5	+	4	মিলি হ'ল	9	
5	+	4	=	9	


5 + 4 = 9

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক ছবিৰ সহায়ত গণনা কৰিবলৈ সুবিধা দিব যাতে তেওঁলোকে 10 ৰ পৰা 20 লৈকে সংখ্যা চিনি পায়। গনিতত '+' য়ে জমা হোৱা, '–' য়ে কমি যোৱা আৰু '=' য়ে সমানক বুজায় ।


■ নটা কম্পিউটাৰৰ দুটা কম্পিউটাৰ বেয়া হ'ল। কওঁকচোন এতিয়া কেইটা কম্পিউটাৰ ভাল হৈ আছে?



কম্পিউটাৰৰ পৰা



কম্পিউটাৰ বেয়া হ'ল




ভাল হৈ থকা কম্পিউটাৰ

9	কম্পিউটাৰৰ পৰা	–	2	কম্পিউটাৰ বেয়া হ'ল	=	7	কম্পিউটাৰৰ ভাল হৈ থাকিল
9		–	2	বাকী থাকিল	=	7	
9		–	2		=	7	

9 – 2 = 7

শিক্ষকলৈ নির্দেশনা - আমি প্ৰায়ে দৈনন্দিন জীৱনত দুটা সংখ্যা যোগ কৰিবলগীয়া হয়। সেয়েহে, শিকাৱসকলক বেলেগ বেলেগ সংখ্যা যোগ কৰিবলৈ উৎসাহিত কৰিব। 9 লৈকে বিয়োগ কৰিবলৈও শিকাব।



- এটা কোম্পানীয়ে এজন দোকানীলৈ মোবাইল ফোনৰ 18 টা বাকচ পঠিয়ালে। দোকানীজনে তাৰে 6 টা বাকচ আন এজন দোকানীলৈ পঠিয়াই দিলে। এতিয়া দোকানীজনৰ ওচৰত কেইটা বাকচ থাকিল?

উত্তৰ _____



- পিয়নে প্ৰথম দিনা 8 খন চিঠি দিলে। দ্বিতীয় দিনা তেওঁ এখন চিঠি দিলে। পিয়নজনে মুঠতে কিমান চিঠি বিলালে?

উত্তৰ _____


- পিয়নৰ হাতত মুঠতে 15 খন চিঠি আছিল। গধূলিলৈ তেওঁ সকলো চিঠি বিলাই শেষ কৰিলে । এতিয়া পিয়নৰ ওচৰত কিমান চিঠি বাকী থাকিল ?

উত্তৰ _____

- জাভেদৰ ওচৰত 20 টকা আছে। তেওঁ 15 টকাৰ ফল কিনিলে। এতিয়া তেওঁ আৰু কিমান টকা খৰচ কৰিলে তেওঁৰ হাতত এটকাও জমা নাথাকিব ?

উত্তৰ _____

■ কেলকুলেটৰত লিখা সংখ্যাবোৰ চাওঁক। এনেকুৱা 2 টা সংখ্যা লিখক যিকেইটা যোগ কৰিলে 10 পোৱা যায়। এনেদৰে কেলকুলেটৰত কৰি চাওঁক।



যেনে -

প্রথমে 1 বুটাম + পিছত 9 বুটাম 10

প্রথমে ____ বুটাম + পিছত ____ বুটাম 10

প্রথমে ____ বুটাম + পিছত ____ বুটাম 10

প্রথমে ____ বুটাম + পিছত ____ বুটাম 10

■ মোৰ শব্দ

শিক্ষকলৈ নির্দেশনা - **কথা-বতৰা** বিষয়ত শিকাৰুসকলৰ সৈতে কথা পাতিব। শিকাৰুসকলক সুধি এই বিষয়ৰ সৈতে মিল থকা 3-4 টা শব্দ লিখিব। এই শব্দ তেওঁলোকৰ কথিত ভাষাৰো হ'ব পাৰে। মোবাইল, টেলিভিছন, চিঠি আদি কথা - বতৰাৰ মুখ্য সমল হোৱাৰ বিষয়েও আলোচনা কৰিব।

একেলগে পঢ়ো আহক-

এইখন 'অন্ধকাৰ নগৰী' নাটকৰ এক অংশ । এই নাটখন ভৰতেন্দু হৰিশ্চন্দ্রই বহুদিনৰ আগতে ৰচনা কৰিছিল। সেই সময়ত বস্তুৰ ওজন জুখিবলৈ কিলোগ্রাম বা গ্রামৰ সলনি সেৰ, তোলা, মোন ইত্যাদি ব্যৱহাৰ কৰা হৈছিল। সেইদৰে কিনা-বেচা কৰিবলৈ টকাৰ সলনি অনা, পইচা আদি ব্যৱহাৰ কৰা হৈছিল

অন্ধকাৰ নগৰৰ মূৰ্খ ৰজা, পাচলি সেৰত একঅনা, মিঠাই সেৰত একঅনা



দোকানী ঃ আটা, দাইল, নিমখ, ঘিউ, চেনি, মছলা, চাউল লওঁক।
এসেৰত এক অনা ।

(মোহন বজাৰলৈ আহিছে। ৰমেনৰ দোকানত বস্তুৰ দাম সোধে।)

মোহন ঃ হেৰা, আটা সেৰত কিমান?

দোকানী ঃ সেৰত এক অনা ।

মোহন ঃ আৰু চাউলৰ?

দোকানী ঃ সেৰত এক অনা ।



মোহন ঃ আৰু চেনি ?

দোকানী ঃ সৰত এক অনা।

মোহন ঃ আৰু ঘিউ ?

দোকানী ঃ সৰত এক অনা ।

মোহন ঃ সঁচাকৈ ! সকলো সৰত এক অনা!

দোকানী ঃ হয় ডাঙৰীয়া, মই কিয় মিছা ক'ম !

(মোহন শাক-পাচলি দোকানীৰ ওচৰলৈ আহে ।)

মোহন ঃ হেৰা, পাচলিৰ কিমান দাম ?

পাচলি বেপাৰী ঃ ডাঙৰীয়া, সৰত এক অনা। পালেং, ধনীয়া, লাই, লফা, সকলো সৰত এক অনা।

মোহন ঃ সকলো পাচলি সৰত এক অনা! ৰাহ ! ৰাহ ! বৰ ভাল কথা। ইয়াত সকলো পাচলিৰে সৰত এক অনা। (মিঠাইৰালাৰ ওচৰলৈ গৈ) হেৰা, মিঠাই এসৰত কিমান ?

মিঠাইৰালা ঃ মহাশয়, লাড়ু, জেলেপী, গজা, সকলো সৰত এক অনা ।

মোহন ঃ ৰাহ ! বৰ ভাল কথা। কিহে, মোৰ লগত চুপতি কৰিবলৈ আহিছা ?

সঁচাকৈয়ে, সকলো সৰত এক অনা !

মিঠাইৱালা ঃ হয় ডাঙৰীয়া, সঁচাকৈয়ে সেৱত এক অনা ।

মোহন ঃ হয় নে, এই নগৰখনৰ নাম কিনো ?

মিঠাইৱালা ঃ অন্ধকাৰ নগৰ।

মোহন ঃ আৰু ৰজাৰ নাম কি ?


মিঠাইৱালা ঃ মূৰ্খ ৰজা।

মোহন ঃ ৱাহ, ৱাহ ! অন্ধকাৰ নগৰৰ, মূৰ্খ ৰজা পাচলি সেৱত এক অনা, মিঠাই সেৱত এক অনা।

- ভাৰতেন্দু হৰিশ্চন্দ্ৰ



শিক্ষকলৈ নির্দেশনা: এই নাটখন সকলোকে পঢ়ি শুনোৱাব । শিক্ষক আৰু শিকাৰুসকলে মিলি চৰিত্ৰ অভিনয় কৰিব আৰু নিজৰ নিজৰ সংলাপবোৰ পঢ়িব।


স্বাগতম
ভোজনালয়
মংগলময়
ধর্মশালা
মণিহাৰী
খাৰু-মণি পোৱা
আলোচনাৰ বাবে —
1) এই ছবিখনত কি কি দেখা গৈছে? 2) ছবিখনত কোনে কি কি কৰি আছে? 3)ছবিখনত মিল থকা বস্তু কি কি আমাৰ আশে-পাশে আছে? 4) ছবিখনত মুঠতে কেইখন দোকান আছে?


বিউটি
পার্লাৰ
চা ৰালা
টেইলৰ
আন্না দোচা
দয়াল
বেণ্ড
STUBHAM

3 আমাৰ ধৰণ-কৰণ

শিকোঁ আহক


ও ঔ ঝ দ য ল গ ক

- 21 ৰ পৰা 50 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা
- একক আৰু দহকৰ গণনা
- 1 ৰ পৰা 50 লৈ যোগ আৰু বিয়োগ কৰা


চাওঁক, পঢ়ক আৰু আলোচনা কৰক



বিয়া



যঁতৰ



ঝক্ ঝক্



দগৰ



ওল-কচু



পান



লতা



গোহালি



কটাৰি

শিক্ষকলৈ নির্দেশনা- শিকাৰুসকলক পাল পাতি প্ৰতিখন ছবি বাৰে বাৰে চিনাক্ত কৰিবলৈ দিয়ক। সেইবোৰৰ লগত জড়িত শব্দবোৰ ছবিবোৰৰ সৈতে দিয়া হৈছে, তাৰ ভিত্তিত শব্দবোৰ অনুমান কৰি পঢ়িবলৈ দিব । ছবিখনৰ তলত লিখা শব্দবোৰ আঙুলি থৈ পঢ়িবলৈ উৎসাহিত কৰিব ।

শুদ্ধ উত্তৰসমূহ কওঁক আৰু চিন দিয়ক -

মেলা এখনলৈ গ'লে সাধাৰণতে আপুনি তলৰ কোনবোৰ দেখা পায় ?
শুদ্ধ উত্তৰ সমূহত (✓) চিন দিয়ক ।



☐

চাহৰ দোকান



☐

মাটি পাত্ৰৰ দোকান




☐

খাৰু-মণিৰ দোকান



☐

জেলেপী





অটো-ৰিক্সা

চকৰী






কুঁহিয়াৰ-ৰস

গৰুগাড়ী

ও





লাও

নাও

ঔ

ঔ





ঔ-টেঙা

ঔষধ

শিক্ষকলৈ নির্দেশনা- শিকাৰুসকলক প্ৰতিখন ছবি চিনাক্ত কৰিবলৈ দিব। ছবিৰ সৈতে থকা শব্দবোৰ পঢ়িবলৈ আৰু লিখিবলৈ দিব।

ঝ





ঝংকাৰ ঝৰ্ণা

ঝ

ঝা






ঝাড়ু ঝাও বন

ঝা

শিক্ষকলৈ নির্দেশনা- ছবি চাই শব্দ পঢ়িবলৈ শিকাৰুসকলক সহায় কৰিব। ছবিৰ তলত থকা স্থানত বস্তুবোৰৰ নাম লিখিবলৈ দিব ।

ঝি




ঝিৰ ঝিৰ

ঝি

ঝু




ঝুমুৰ



ঝুলনা

ঝু

দ





দগা

দৰৰ

দ

দা






দাড়ি

দাপোণ

দা

দি





দিয়াচলাই

দিন

দি

দী






দীপ

দীঘলতি

দী

য





যমজ যকৃৎ

য

যো





যোগ যোৰা

যো

ল




লঠণ্ডা




লতিকা

ল

লা




লাট্টিম



লাঠি

লা

লি



লিচু




লিলি

লি

লী



ছোৱালী




ছাগলী

লি

লো



লোটা




লোটক

লো

লৌ




লৌহ



হলৌ

লৌ

গ



গৰু



গগণা

গ

গা




গাগৰি




গামোছা

গা

গি



গিৰি



গিলাচ

গি

গী



গীটাৰ



গীত

গী

গো



গোলাপ



গোলক

গো

গৌ



গৌৰী



গৌতম

গৌ

ক




ককা



কলম

ক

কা




কাৰখানা



কাউৰী

কা

কি



কিতাপ



কিচ্ মিচ্

কি

কী



কীট



চকী

কী

একেলগে পঢ়ো আহক

কাতি বিহুৰ চাকি

আজি কাতি বিহুৰ নিশা। তুলসীৰ তলত চাকি-বস্তি জ্বলোৱা হৈছে। "তুলসীৰ তলে তলেমৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্রই হৰধনু ধৰে" - এই নাম ধ্বনিৰে সকলোৰে ঘৰ মুখৰ হৈছে। তুলসী তলৰ চাকিয়ে সকলোৰে অপায় - অমংগল আঁতৰ কৰে। এয়া এক জন- বিশ্বাস ।







কাতি বিহুত আকাশ বস্তি জ্বলাই পথাৰৰ লখিমীক ভঁৰাললৈ আদৰে। ইয়াৰোপৰি ধাননি পথাৰতো চাকি জ্বলোৱা হয় । এই চাকিত শস্যৰ অপকাৰী পোক - পৰুৱাবোৰ জাহ যায়। কাতি বিহুৰ চাকিয়ে এনেদৰে আমাৰ সম্পর্কসমূহৰ উজ্জ্বলতা আৰু উত্তাপ বর্তাই ৰাখে।

শিক্ষকলৈ নির্দেশনা - " কাতি বিহুৰ চাকি" পঢ়ি শুনোৱাব আৰু শিকাৰু সকলক পঢ়িবলৈ উৎসাহিত কৰিব।

পঢ়ক আৰু কওঁক

প্রশ্ন 1- কাতি বিহুত ক'ত ক'ত চাকি জ্বলোৱা হৈছে?

প্রশ্ন 2- কোনটো নাম ধ্বনিৰে ঘৰবোৰ মুখৰ হৈ পৰিছে?

প্রশ্ন 3- আপোনাৰ অঞ্চলত কাতি বিহুৰ দৰে উৎসৱ আৰু আছে যদি জনাওক।

প্রশ্ন 4- আপোনাৰ ভাল লগা উৎসৱৰ বিষয়ে কওঁক।

মোৰ শব্দ

শিক্ষকলৈ নির্দেশনা-"আমাৰ ৰীতি-নীতি" বিষয়ৰ ওপৰত আলোচনা কৰিব। শিকাৰুসকলক সুধি তেওঁলোকৰ কোনো উৎসৱৰ সৈতে জড়িত 3-4 টা শব্দ লিখিব। এই শব্দ তেওঁলোকৰ কথিত ভাষাৰো হ'ব পাৰে।

■ শব্দ বিচাৰি উলিয়াই লিখো আহক

আজি কমলে বহুতো খোৱাবস্তু ৰান্ধিছে। খোৱাবস্তুৰ নাম বাচি উলিয়াই তাৰ ওপৰত ঘেৰ দিব।



পনীৰ	পিঁয়াজ	তেতেলি	বিলাহী	বাতি	যঁতৰ	বীণ
থালি	গিলাচ	চাটনি	পালেং	দাইল	চাউল	নিয়ৰ
ৰুটি	খেলনা	পখিলা	আসন	কিতাপ	নিমখ	পানী

■ এতিয়া খাদ্য বস্তুবোৰৰ নাম লিখক।

শব্দবোৰ মনোযোগ দি চাওঁক, পঢ়ক আৰু লিখক

য'ত 'ও'-ৰ ধ্বনি আছে
গান আহা ওল-কচু মিঠা
য'ত 'ঔ'-ৰ ধ্বনি আছে
গৌৰী ক'ত মৰা দুৱাৰ
য'ত 'দু'-ৰ ধ্বনি আছে
দিন দুই দান কাম
য'ত 'দৌ'-ৰ ধ্বনি আছে
আকাশ দাইল দৌৰ চৌকা
য'ত 'লৌ'-ৰ ধ্বনি আছে
লাজ লৌহ জুৰি লোটা
য'ত 'লী'-ৰ ধ্বনি আছে
মিছা চিলাই চেনি ছোৱালী
য'ত 'কৌ'-ৰ ধ্বনি আছে
চাকি টকৌ মোবাইল ৰাতি
য'ত 'কি'-ৰ ধ্বনি আছে
লাঠি টিকট কিতাপ দালি
য'ত 'ঝু'-ৰ ধ্বনি আছে
জিলা জিকিৰ গীত ঝুমুৰ
য'ত 'য়ো'-ৰ ধ্বনি আছে
বাট সৰ বিয়োগ ৰবি

শিক্ষকলৈ নির্দেশনা - শব্দ পঢ়াত শিকাৰুসকলক সহায় কৰিব। ভিন্ ভিন্ ধ্বনিৰ শব্দ লিখিবলৈ ক'ব । এনে ধ্বনি শব্দৰ প্ৰথমতেই, মাজত বা শেষতো আহিব পাৰে।

■ কৰি চাওঁ আহক

দেৱালীত ৰমেশে বহুতো 1 টকীয়ামুদ্রা পালে। ৰমেশে দোকানী এজনক 1 টকাৰ 10 টা মুদ্রা দিলে। দোকানীজনে তাৰ বিনিময়ত তেওঁক 10 টকীয়া নোট এখন দিলে ।






যদি ৰমেশে দোকানীক 1 টকীয়া 20 টা মুদ্রা দিয়ে তেন্তে তাৰ সলনি তেওঁ 10 টকাৰ কেইখন নোট পাব? সেই সংখ্যাক নোটত ঘেৰ দিয়ক।







■ যোগ আৰু গণনা শিকোঁআহক


মিঠাই বাকচত 10 টা লাড়ু আছে। এতিয়া চাই, বুজি লিখক -


20 + 1 =  = 21


20 + 2 =  = 22


20 + 3 =  = 23

20 + 4 =  = 24


20 + 5 =  = 25

20 + 6 =  = 26

20 + 7 =  = 27

20 + 8 =  = 28

20 + 9 =  = 29


20 + 10 =  = 30

শিক্ষকলৈ নির্দেশনা -শিকাৰুসকলক এইদৰে আগৰ সংখ্যাবোৰ লিখিবলৈ সহায় কৰিব


30	+	1	=	31
30	+	2	=	32
30	+	3	=	33
30	+	4	=	34
30	+	5	=	35
30	+	6	=	36
30	+	7	=	37
30	+	8	=	38
30	+	9	=	39
30	+	10	=	40

40	+	1	=	41
40	+	2	=	42
40	+	3	=	43
40	+	4	=	44
40	+	5	=	45
40	+	6	=	46
40	+	7	=	47
40	+	8	=	48
40	+	9	=	49
40	+	10	=	50

আহক, যোগ কৰি গণনা শিকোঁ



=



=

তলত দিয়া 10 টকীয়া নোট আৰু 1 টকীয়া মুদ্রা মিলি মুঠতে কিমান টকা হয়? অনুমান কৰি উত্তৰ লিখক-

	10 টকীয়ানোট		1 টকীয়ানোট		মুঠ টকা
(ক)		+		=	34
(খ)		+		=	
(গ)		+		=	
(ঘ)		+		=	22
(ঙ)				=	32
(চ)				=	40
(ছ)				=	42

শিক্ষকলৈ নির্দেশনা -শিকাৰুসকলক জনাব যে দহ দহ গোটত গণনা কৰিলে ডাঙৰ সংখ্যা গণনা কৰাত সহজ হয়। এইটোও বুজাব যে দহ একক মিলি দহক হয়।

- **ৰহিমৰ হাতত 50 টকা আছে। ইয়াৰে 10 টকাৰ 4 খন নোট আৰু 1 টকাৰ 10 টা মুদ্রা আছে।**





(ক) ৰহিমে ভনীয়েকৰ বাবে 15 টকাৰ খাৰু ল'লে। তেওঁ দোকানীক কেইখন 10 টকীয়া নোট আৰু কেইটা 1 টকীয়া মুদ্রা দিলে?

10 টকীয়া নোট

1 টকীয়া মুদ্রা

	দহক	একক
=		

(খ) ৰহিমে 22 টকাৰ চাট খালে। দোকানীয়ে ৰহিমক কেইখন নোট আৰু কেইখন 10 টকীয়া নোট আৰু কেইটা 1 টকীয়া মুদ্রা দিলে?

10 টকীয়া নোট

1 টকীয়া মুদ্রা

	দহক	একক
=		

(গ) ৰহিমৰ ওচৰত এতিয়া 10 টকীয়া কেইখন নোট আৰু 1 টকীয়া মুদ্রা কেইটা বাকী থাকিল ?

10 টকীয়া নোট

1 টকীয়া মুদ্রা

	দহক	একক
=		

শিক্ষকলৈ নির্দেশনা- টকা, মিঠাইৰ বাকচ আৰু ফুলৰ মালা আদিৰ দ্বাৰা শিকাৰুসকলক একক আৰু দহকৰ ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। শিকাৰুসকলক তেওঁলোকৰ নিজৰ অভিজ্ঞতাৰ পৰা এনে ধাৰণা বিকশিত কৰিবলৈ সুযোগ দিব। এনেকুৱা আন আন সংখ্যা লৈ শিকাৰুসকলক তাৰ পৰা দহক আৰু একক উলিয়াবলৈ উৎসাহিত কৰিব।

- আপোনাৰ হাতত 10 টকীয়া আৰু 1 টকীয়া কিছু নোট আৰু মুদ্রা আছে। আপুনি দোকানীক বস্তুবোৰৰ দাম কেনেদৰে দিব

দাম	বস্তু	10 টকীয়া নোট/মুদ্রা	1 টকীয়া নোট/মুদ্রা
₹50	বিলাহী		
₹42	ববৰফি		
₹29	মগু		
₹15	কল		

- মনুৰ ওচৰত 10 টাকৈ ফুলৰ 2 ডাল মালা আছে আৰু 4 পাহ ফুল আছে। তেওঁৰ ওচৰত মুঠতে কিমান ফুল আছে? তলত দিয়া ঘৰত শুদ্ধ সংখ্যাটো লিখি যোগ কৰক।






	দহক	একক
= মুঠ		

শিক্ষকলৈ নির্দেশনা- 50 ত '₹' টকাৰ প্রতীক

একেলগে পঢ়ক-

কাহিনী
1



"আমাৰ শিক্ষাগুৰুৱে কয়, -
ল'ৰা - ছোৱালীহঁত, খুব ভাল কৈ
পঢ়িবা আৰু খুব কষ্ট কৰিবা ।
সকলোৰে চেষ্টা আৰু কষ্টই
আমাৰ দেশক প্ৰগতিৰ পথত
আগুৱাই নিব।"
"হয় সোণ, যিদৰে আমাৰ কৃষক,
সৈনিক, শ্ৰমিক, খেলুৱৈ আদি
সকলোৱে কষ্ট কৰে আৰু দেশৰ
নাম উজলায়। "
"দেউতা, ময়ো কষ্ট কৰিম আৰু
দেশৰ নাম উজলাম।"

আলোচনাৰ বাবে —

1) আপুনি বা আপোনাৰ পৰিয়ালৰ সদস্যই কি কি কাম কৰে? সেই কাম কৰোঁতে আপুনি কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হয়?
2) আপোনাৰ মতে কোন খিনি মানুহে বেছিকৈ কাম কৰে?
3) শাৰীৰিক শ্ৰম কৰা মানুহৰ প্ৰতি সাধাৰণতে মানুহৰ মনোভাৱ কেনেকুৱা?

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলৰ লগত শ্ৰম, মজুৰি, লিংগ আদিৰ বিষয়ে আলোচনা কৰক । শিকাৰুসকলক জনাওক যে নাৰী-পুৰুষ বা স্বামী-স্ত্ৰী এজন আনজনৰ ওপৰত নির্ভৰশীল আৰু ইজন সিজনৰ সুখ-দুখৰ সমভাগী । লগতে শাৰীৰিক শ্ৰমৰ গুৰুত্বৰ ওপৰতো আলোচনা কৰক ।

কাহিনী-2

"দেউতা, আপুনি মাক ঘৰুৱা কামত সহায় কৰা দেখিলে মোৰ খুব ভাল লাগে।"

" হয় সোণ, ইজনে সিজনক সহায় কৰিলেহে পৰিয়াল চলিব। পতি - পত্নী জীৱন সংগী হোৱা উপৰি সহকর্মীও হয়।"

" হয় দেউতা, ময়ো ঘৰৰ কামত সহায় কৰিম। "

-- আয়ুষ্মান গোস্বামী



আলোচনাৰ বাবে —

1) আপোনাৰ ঘৰত মহিলা আৰু পুৰুষৰ বাবে কাম ভাগ কৰি থোৱা আছে নেকি?

2) যদিহে মহিলা আৰু পুৰুষ দুয়োগৰাকীয়ে কামৰ বাবে ঘৰৰ পৰা বাহিৰলৈ যায়, তেন্তে ঘৰলৈ উভটি আহি কোনে কি কাম কৰিব লাগে বুলি ভাবে আৰু কিয় ?

3) মহিলা আৰু পুৰুষৰ কামৰ মাজৰ ভাগবতৰাৰ দৰে চিন্তা সমাজৰ বাবে ক্ষতিকাৰক নেকি?

4) দুয়োটা কাহিনীতে সৰু ল'ৰাটো বা ছোৱালীজনীয়ে দিয়া উত্তৰে সমাজ পৰিবর্তনত কি দৰে সহায় কৰিব?


বর্ণমালা


অ আ ই ঈ
উ ঊ ঋ
এ ঐ ও ঔ


ক খ গ ঘ ঙ
চ ছ জ ঝ ঞ
ট ঠ ড ঢ ণ
ত থ দ ধ ন
প ফ ব ভ ম
য ৰ ল ৱ
শ ষ স হ
ক্ষ ড় ঢ় য়
ৎ ং ঃ ঁ


অসমীয়া সংখ্যা —

১	২	৩	৪	৫	৬	৭	৮	৯	১০
১১	১২	১৩	১৪	১৫	১৬	১৭	১৮	১৯	২০
২১	২২	২৩	২৪	২৫	২৬	২৭	২৮	২৯	৩০
৩১	৩২	৩৩	৩৪	৩৫	৩৬	৩৭	৩৮	৩৯	৪০
৪১	৪২	৪৩	৪৪	৪৫	৪৬	৪৭	৪৮	৪৯	৫০
৫১	৫২	৫৩	৫৪	৫৫	৫৬	৫৭	৫৮	৫৯	৬০
৬১	৬২	৬৩	৬৪	৬৫	৬৬	৬৭	৬৮	৬৯	৭০
৭১	৭২	৭৩	৭৪	৭৫	৭৬	৭৭	৭৮	৭৯	৮০
৮১	৮২	৮৩	৮৪	৮৫	৮৬	৮৭	৮৮	৮৯	৯০
৯১	৯২	৯৩	৯৪	৯৫	৯৬	৯৭	৯৮	৯৯	১০০


নৱভাৰত সাক্ষৰতা কার্যসূচী
উদয়
আদিপাঠ, প্রথম ভাগ
অ আ ১ ২
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম


নৱভাৰত সাক্ষৰতা কার্যসূচী
উদয়
আদিপাঠ, প্রথম ভাগ
অ আ ১ ২
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম


নৱভাৰত সাক্ষৰতা কার্যসূচী
উদয়
আদিপাঠ, প্রথম ভাগ
অ আ ১ ২
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম


নৱভাৰত সাক্ষৰতা কার্যসূচী
উদয়
আদিপাঠ, প্রথম ভাগ
অ আ ১ ২
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম